# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-07-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
***- - - - - - - - - - - - - -***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি উৰিয়াম ঘাটৰ মধুপুৰ অঞ্চলত উচ্ছেদ হ'বলগীয়া ঠাইসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। বন বিভাগৰ জাননী লাভ কৰাৰ পাছতে কেইবাশ দখলকাৰীয়ে উৰিয়ামঘাটৰ পৰা অন্য ঠাইলৈ ৰাওনা হোৱাৰ বিষয়টোত মুখ্যমন্ত্ৰীয়ে সন্তুষ্টি প্ৰকাশ কৰে। উৰিয়ামঘাট অঞ্চলত সন্দেহযুক্ত নাগৰিকৰ একোটাকৈ পৰিয়ালে ২০০ৰ পৰা ৪০০ বিঘা মাটি দখল কৰি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত কয়, যে কাছাৰ, শ্ৰীভূমি, ধুবুৰী, বৰপেটা, হোজাই, নগাঁও, মৰিগাঁৱৰ উপৰি বিহাৰৰ পৰাও বিভিন্ন লোকে আহি উৰিয়ামঘাটত বসতি কৰিছে। ড০ শৰ্মাই বিদ্যাপুৰ অঞ্চলৰ দুই নম্বৰ মধুপুৰ গাঁৱত দখলকাৰীয়ে ৰোপণ কৰা বৃহৎ তামোলবাৰীও পৰিদৰ্শন কৰে। বন বিভাগৰ জাননী অনুসৰি অহা ২৭ জুলাইৰ পৰা উৰিয়ামঘাটত উচ্ছেদ চলোৱা হ'ব বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে।

ooooo

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই বড়োলেণ্ড স্বায়ত্ত শাসিত পৰিষদ - বিটিচিৰ বিধানসভা অধিবেশনৰ দিন আনুষ্ঠানিকভাৱে জাৰি কৰিছে। ৰাজভৱনে জাৰি কৰা জাননী অনুসৰি অহা ৩১ জুলাইত পুৰা দহ বজাত অধিবেশন অনুষ্ঠিত হ'ব। কোকৰাঝাৰৰ বড়োফা নগৰত অৱস্থিত পৰিষদৰ এছেম্বলি হাউচত এই অধিবেশন অনুষ্ঠিত হ'ব।

ooooo

বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে আজি কোকৰাঝাৰৰ কেন্দ্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ প্ৰতিমূৰ্তিৰ আধাৰশিলা স্থাপন কৰে। ৩০ লাখ টকা ব্যয় সাপেক্ষে এই প্ৰতিমূৰ্তিটো নিৰ্মাণ কৰা হ'ব। অনুষ্ঠানত অধ্যাপক দেৱেন্দ্ৰ জালিহালকে ধৰি কেন্দ্ৰীয় প্ৰতিষ্ঠানটোৰ অতিৰিক্ত ভাৰপ্ৰাপ্ত সঞ্চালক, শীৰ্ষ বিষয়া আৰু অন্যান্য অধ্যাপকসকল উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি শ্ৰী বড়োৱে ভৱিষ্যৎ প্ৰজন্মৰ বাবে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ শিক্ষা আৰু আদৰ্শক সংৰক্ষণ কৰাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে কয়, যে এই প্ৰতিমূৰ্তিটোৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে ই ছাত্ৰ-ছাত্ৰী আৰু দৰ্শনাৰ্থীৰ বাবে অনুপ্ৰেৰণাৰ চিহ্ন হিচাপে বিবেচিত হ'ব।

ooooo

ৰাজ্যিক বিজেপিৰ কেইবাখনো মৰ্চাৰ নতুন সভাপতি নিযুক্তি দিয়া হৈছে। দলটোৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশনা অনুসৰি নীলিমা দেৱীক মহিলা মৰ্চা, ৰাকেশ দাসক যুৱ মৰ্চা, সুভাষ দত্তক অ' বি চি মৰ্চা, নৱাৰুণ মেধিক অনুসূচীত জাতি মৰ্চা, হৰেন সিং বে'ক অনুসূচীত জনজাতি

মৰ্চা, পংকজ বৰবৰাক কিষাণ মৰ্চা, শান্তিউছ কুজুৰক সংখ্যালঘূ মৰ্চা আৰু দুলেন নায়কক দলৰ চাহ সম্প্ৰদায় মৰ্চাৰ ৰাজ্যিক সভাপতি হিচাপে নিযুক্তি দিয়া বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

কামৰূপ জিলাৰ সদৰ আমিনগাঁৱত আজি ৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি বাহিনীৰ উদ্যোগত সজাগতা শিবিৰৰ আয়োজন কৰা হয়। ঘৰত সহজতে পোৱা সামগ্ৰীৰে দুৰ্যোগৰ সময়ত কিদৰে বিপদত পৰা লোকক উদ্ধাৰ কৰিব পাৰি আৰু তেওঁলোকক কেনেদৰে প্ৰাথমিক চিকিৎসা প্ৰদান কৰিব পাৰি সেই বিষয়ত জনসাধাৰণক বিশদভাৱে অৱগত কৰোৱা হয়। এই সজাগতা সভাত অঞ্চলটোৰ সজাতিক পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে। সভাত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ বিষয়া ৰাজীৱ দত্ত চৌধুৰী, উত্তৰ গুৱাহাটী ৰাজহ চক্ৰ বিষয়া ভাস্কৰ কলিতাৰ উপৰি ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ ভালে কেইগৰাকী বিষয়া উপস্থিত থাকে।

০০০০০

নলবাৰী জিলাত খেতিয়কসকলে বৰষুণৰ অভাৱত শালী ধানৰ  খেতি কৰাত অসুবিধাৰ সন্মুখীন হৈছে। ভাৰতীয় বতৰ  বিজ্ঞান কেন্দ্ৰৰ তথ্য মতে এইবাৰ জিলাখনত বৰষুণৰ পৰিমাণ যথেষ্ট কমিছে। যোৱা ১ জুনৰ পৰা ১৮ জুলাই পৰ্যন্ত জিলাখনত স্বাভাৱিক পৰিমাণতকৈ ৭৬ শতাংশ বৰষুণ কমিছে। এই সময়ছোৱাত স্বাভাৱিক বৰষুণৰ পৰিমাণ ৮০১ দশমিক ৬ মিলিমিটাৰ হ'ব লাগিছিল যদিও  জিলাখনত মাত্ৰ ১৯৩ দশমিক ৬ মিলিমিটাৰ বৰষুণহে হৈছে। চৰকাৰী তথ্য মতে খৰাং সদৃশ অৱস্থাৰ বাবে জিলাখনৰ ৪৪৮ খন গাঁও ক্ষতিগ্ৰস্ত হৈছে। জিলাখনত এই পৰ্যন্ত দ' অঞ্চলসমূহৰ ২৬ হাজাৰ ১১৩ হেক্টৰ কৃষি ভূমিতহে শালী খেতি আৰম্ভ কৰিব পৰা গৈছে। ইয়াৰে এঘাৰ হেজাৰ ৯৮৯ হেক্টৰ ৰোপণ কৰা শস্যভূমি খৰাঙৰ বাবে নষ্ট হৈছে। জিলা কৃষি বিভাগৰ সূত্ৰৰ পৰা জানিব পৰা মতে, শাওন মাহৰ প্ৰায় আধা দিন যোৱাৰ পিছতো জিলাখনৰ আধা অংশ মাটিতো কৃষকে শালী ধান ৰোপণ কৰিব পৰা নাই। যাৰ ফলত জিলাখনৰ হাজাৰ হাজৰ বিঘা মাটি এতিয়াও চন পৰি আছে।

বৰষুণৰ পৰিমাণ কম হোৱা বাবে জিলাখনৰ পুখুৰীসমূহো শুকাই  আহিছে। যাৰ ফলত মৎস পালকসকল মাছ উৎপাদনৰ ক্ষেত্ৰত বৃহৎ ক্ষতিৰ সন্মুখীন হৈছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত 'গ্ৰীষ্মকালীন শিবিৰ' সম্পৰ্কত এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত আয়োজিত গ্ৰীষ্মকালীন শিবিৰৰ প্ৰাসংগিকতা সন্দৰ্ভত আকাশবাণীৰ সংবাদদাতা আৰু আন কেইগৰাকীমান অভিজ্ঞ ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা পৰিস্মিতা দিহিঙীয়া আৰু অৰুণিমা গোস্বামীৰ।

০০০০০

বিশিষ্ট সংগীত পৰিচালক তথা কণ্ঠশিল্পী জে পি দাসৰ ৭৯ সংখ্যক জন্মদিনৰ লগত সংগতি ৰাখি আজি শিল্পীগৰাকীৰ কণ্ঠৰ এটা দৃশ্য শ্ৰাব্য গীত উন্মোচন কৰা হয়। গুৱাহাটী প্ৰেছ ক্লাবত এই উপলক্ষে আয়োজিত **স্মৃতিৰে ৰঙীন এই আবেলি** শীৰ্ষক অনুষ্ঠানত  অনুৰাগীসকলে তেওঁক অভিনন্দন জনায়।

০০০০০

সমাপ্ত